# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	ৰাজ্যবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ আজি পুৱাতে অসমভূমিলৈ।
২।	পুষ্পসজ্জিত বাহনেৰে অগণন গুণমুগ্ধৰ সৈতে প্ৰিয় শিল্পীগৰাকীৰ নিজৰ বাসগৃহ অভিমুখে অন্তিম যাত্ৰা।
৩।	সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুৰাগীৰ শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে শিল্পীগৰাকীৰ নশ্বৰদেহ ৰখাৰ ব্যৱস্থা।
৪।	সমগ্ৰ ৰাজ্য জুবিন গাৰ্গৰ বিয়োগত শোকস্তব্ধ। প্ৰান্তে প্ৰান্তে শ্ৰদ্ধা নিবেদনৰ সমূহীয়া কাৰ্যসূচী। **আৰু**
৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে বাংলাদেশৰ ৪ উইকেটত জয়লাভ।

০০০০০০

সমগ্ৰ অসমজুৰি হাঁহাকাৰ আৰু অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ আজি অসমভূমিলৈ লৈ অহা হৈছে।

**গান ঃ** .....

আজি পুৱা প্ৰায় চাৰে ৬ বজাত এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ লৈ অনা হয়। এখন পুষ্পসজ্জিত বাহনেৰে প্ৰিয় শিল্পীগৰাকীৰ নিজৰ বাসগৃহ অভিমুখে অন্তিম যাত্ৰা আৰম্ভ হৈছে। চৌদিশে কেৱল হুমুনিয়াহ আৰু চকুলোৰ মাজত শিল্পীগৰাকীক অগণন জনতাই কাহিলিপাৰালৈ লৈ অনা পথত অশ্ৰু অঞ্জলি যাঁচিছে।

**গান ঃ** .....

কাহিলিপাৰাৰ পৰা সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ তেওঁৰ নশ্বৰদেহ লৈ যোৱা হ'ব। জনসাধাৰণে প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনা মানি প্ৰিয় শিল্পীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিব পাৰিব। সৰুসজাই ষ্টেডিয়ামত আজি কোনো যান-বাহনৰ প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাই। দৰ্শনাৰ্থীসকলে শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱাৰ পাছত ষ্টেডিয়ামখনৰ ৩ নম্বৰ দুৱাৰেৰে ওলাই যাব পাৰিব। ইপিনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে। কালি এখন সংবাদমেলত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত ছাট্টাৱান আৰু যান-বাহন আৰক্ষীৰ উপায়ুক্ত জয়ন্ত সাৰথি বৰাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

**বাইট ঃ সুমিত ছাট্টাৱান, জয়ন্ত সাৰথি বৰা**

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ সন্মানাৰ্থে কালিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত ৰখা হৈছে।

ইয়াৰ আগেয়ে কালি সন্ধিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা নতুন দিল্লীলৈ ৰাওনা হয়। নিশা ছিংগাপুৰৰ পৰা শিল্পীগৰাকীক কঢ়িয়াই অনা বিমানখন নতুন দিল্লীৰ বিমান বন্দৰত অৱতৰণ কৰাৰ

পাছত মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে বহুলোকে তেওঁক শিল্পীগৰাকীৰ গীত আওৰাই পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। আজি পুৱাতেই জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ বৰঝাৰ বিমান বন্দৰত উপস্থিত হয়। জুবিন গাৰ্গৰ পিতৃৰ অসুস্থতাৰ হেতুকে পৰিয়ালৰ লোকে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান গুৱাহাটীৰ আশে-পাশে বিচাৰিছে বুলি প্ৰকাশ কৰা হৈছে। আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পত গুণমুগ্ধসকলক পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ প্ৰিয় শিল্পীগৰাকীক শেষ দৰ্শনৰ সুবিধা দিয়াৰ কথা আছিল যদিও অভাৱনীয় জনসমাগমৰ পৰিপ্ৰেক্ষিতত বাসগৃহলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ আহি পোৱাত হ'ব পৰা বিলম্বৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ৰ সালসলনি হোৱাৰ সম্ভাৱনা আছে।

সমগ্ৰ মহানগৰী শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে শ্ৰদ্ধা জনোৱাৰ বাবে লোকাৰণ্য হৈ পৰাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে সকলোকে সংযম বজাই ৰাখি চলিবলৈ আহ্বান জনাইছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ অন্তিম যাত্ৰা শান্তিপূৰ্ণ কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

**বাইট ঃ গৌৰৱ গগৈ**

ৰাজ্য চৰকাৰে আজি সন্ধিয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত এখন কেবিনেট বৈঠক আহ্বান কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচচায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে। এই ঘটনা সন্দৰ্ভত কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে।

জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, আজি হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

oooooo

জনতাৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ অকাল দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ আছে। শিল্পীগৰাকীৰ বিয়োগৰ বাতৰি পোৱাৰ পাছৰে পৰা অগণন লোক স্বতঃস্ফূৰ্তভাৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পথসমূহত সমবেত হয়। ম্ৰিয়মান জনতাই শিল্পীগৰাকীৰ কালজয়ী গীতসমূহ কণ্ঠত আওঁৰাই তেওঁৰ প্ৰতি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে শ্ৰদ্ধা নিবেদিছে। শিশুৰ পৰা বৃদ্ধলৈ প্ৰতিগৰাকী অনুৰাগী শোকাহত আৰু স্তম্ভিত হৈ পৰিছে।

*ঃ গান ঃ*

শিৱসাগৰত কালি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে বিশাল অনুষ্ঠানৰ আয়োজন কৰা হয়। বহুসংখ্যক অনুৰাগী আৰু গুণমুগ্ধৰে ভৰি পৰা অনুষ্ঠানত ১০ হাজাৰ মাটিৰ চাকি জ্বলোৱা হয়। জেঙনিকটিয়াটো শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ বঙালগাঁও ৰামধেনু শাখা সাহিত্য সভাই

অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক বিয়োগত শোকপ্ৰকাশ কৰে। চেণ্টাৰ ফ'ৰ ইছলামিক ষ্টাডিজ, মিৰ্জাবাগ যুৱ সমাজ, মানকটা শাখা সাহিত্য সভা, ডিব্ৰুগড় জিলা সাহিত্য সভাকে ধৰি জিলাখনৰ প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠানে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বন্তি প্ৰজ্বলন কৰাৰ লগতে ম'ম বাতি লৈ মৌন সমদল কৰে। লাহোৱালতো অনুৰাগীৰ জয় জুবিন দা ধ্বনিৰে আকাশ বতাহ মুখৰ হৈ পৰে।

শিৱসাগৰৰ বাবুপট্টি, আমোলাপটি নামঘৰ, বাৰোৱাৰী সাৰ্বজনীন দুৰ্গোৎসৱ আৰু নৱ দুৰ্গোৎসৱ পূজা কমিটীৰ সিদ্ধান্ত অনুসৰি আজি মহালয়াৰ পুৱা পূৰ্বে নিৰ্ধাৰিত প্ৰভাত ফেৰী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বাবে বাতিল কৰা হয়। শিৱসাগৰ নগৰতো কালি শিল্পীগৰাকীৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি বিশাল অনুষ্ঠানৰ আয়োজন কৰা হয়।

ৰাজ্যৰ প্ৰতিখন জিলাত কালি বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে শিল্পীগৰাকীৰ প্ৰতি সন্মানাৰ্থে সমদলৰ আয়োজন কৰে। অসামান্য প্ৰতিভাৰ অধিকাৰী, দৰদী শিল্পীগৰাকীৰ বিয়োগত কাতৰ হৈ পৰা জনসাধাৰণে স্বতঃস্ফূৰ্তভাৱে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান, দোকান-পোহাৰ আদি বন্ধ কৰি ৰাজপথলৈ ওলাই আহি শিল্পীগৰাকীৰ সোঁৱৰণী যাত্ৰাৰ অংশীদাৰ হৈ পৰে। বিভিন্ন জিলাৰ প্ৰশাসনসমূহৰ উদ্যোগতো কালি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য তৰ্পন কৰা হয়। যোৰহাট, হোজাই, ডিব্ৰুগড়, তিনিচুকীয়া, নগাঁৱৰ লগতে প্ৰায় আটাইবোৰ জিলা প্ৰশাসনে কালি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জ্যোতি বাটচৰাত সমবেত হৈ শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। জিলাখনৰ বিভিন্ন অঞ্চলত সমদল উলিয়াই তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। যোৰহাট জিলা কেন্দ্ৰীয় পূজা সমন্বয়ৰক্ষী সমিতিয়ে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই আজি মহালয়াৰ অনুষ্ঠান তথা শোভাযাত্ৰা বাতিল কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ বিভিন্ন স্থানতো শিল্পীগৰাকীৰ প্ৰতি ৰাইজে শ্ৰদ্ধা নিবেদন কৰে। ঐতিহাসিক নতুন চামগুৰি সত্ৰৰ সংগীত কলাকেন্দ্ৰত কালি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

গীতেৰে সৰ্বস্তৰৰ জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰা জনগণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা অপূৰণীয় শূন্যতাত অসমবাসীয়ে  হাহাকাৰ কৰিছে। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনাত অংশ লৈ চিন্ময়ী গোস্বামীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিল্পীগৰাকী প্ৰতিভাৰে অসমৰ সাংগিতিক ক্ষেত্ৰত এজোপা বৰগছ সদৃশ আছিল।

**বাইট ঃ চিন্ময়ী গোস্বামী**

শিল্পীগৰাকীৰ প্ৰাক্তন ব্যৱস্থাপক জয়ন্ত বৰদলৈয়ে জুবিন গাৰ্গৰ শিল্পী জীৱনৰ আৰম্ভণিৰ সময়ছোৱাৰ কথা উল্লেখ কৰে।

**বাইট ঃ জয়ন্ত বৰদলৈ**

আই আই টি গুৱাহাটীৰ অধ্যাপক ড° উৎপল বৰাই অনুষ্ঠানটিত জুবিন গাৰ্গৰ ছাত্ৰ অৱস্থা আৰু সংগীতৰ সাধনাৰ প্ৰথমছোৱাৰ বিষয়ে উল্লেখ কৰে। সাংবাদিক হীৰেন শৰ্মা আৰু মণি মহন্তই এই অনুষ্ঠানত জুবিন গাৰ্গক সংগীতৰ ধাৰাৰ ক্ষেত্ৰত যুগস্ৰষ্টা আৰু পথ প্ৰদৰ্শনকাৰী বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাস্কৰ জ্যোতি আচাৰ্য্যই কয় যে শিল্পীগৰাকীয়ে অসমৰ কেইবাটাও প্ৰজন্মক সংগীতৰ নতুন ধাৰাৰ প্ৰতি আগ্ৰহী কৰাৰ লগতে অগণন লোকৰ সংবেদনশীলতাক স্পৰ্শ কৰিছে। তেওঁ অনুষ্ঠানটিত শিল্পীগৰাকীৰ গীতো পৰিৱেশন কৰে।

**গান ঃ** ........

এই অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

গানৰ উজ্বল জ্যোতিষ্ক নিৰ্বাপিত হৈ অকস্মৎ যেন অসমৰ সংগীতৰ আকাশ অন্ধকাৰ হৈ পৰিছে। জনসাধাৰণৰ হিয়াৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত বিশিষ্ট শিক্ষাবিদ, আবৃত্তিকাৰ অমৰজ্যোতি চৌধুৰীয়ে এটি কবিতাৰে শ্ৰদ্ধা জনাইছে।

কবিতা ঃ ....

০০০০০০

এছিয়া কাপ ক্রিকেট প্ৰতিযোগিতাৰ কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত বাংলাদেশে শ্ৰীলংকাক ৪ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ১৬৯ ৰাণৰ লক্ষ্য অনুসৰণ কৰি বাংলাদেশে এটা বল বাকী থকা অৱস্থাত ৬টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈ খেলখনত বিজয় সাব্যস্ত কৰে। শ্ৰীলংকাৰ হৈ ডাচুন চনাকাই সৰ্বাধিক ৬৪ ৰান কৰে। বাংলাদেশৰ মোস্তাফিজুৰ ৰহমানে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে টছত জিকি বাংলাদেশে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ৭টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ছাইফ হাচনৰ ৬১ আৰু তৌহিদ হৃদয়ৰ ৫৮ ৰানৰ সহায়ত বাংলাদেশে ৬টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। শ্ৰীলংকাৰ হৈ ৱান্দিদু হাচাৰাংগা আৰু ডাচুন চনাকাই দুটাকৈ উইকেট দখল কৰে। ছাইফ হাছানক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

ভাৰত কাইলৈ ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইবোৰ দৈনিক বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা অসমবাসীৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যু সম্পৰ্কীয় বাতৰি প্ৰকাশ কৰা হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে নিদাৰুণ শোকত ম্ৰিয়মান ৰাজ্য শিৰোনামেৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত আকাশে, বতাহে বিয়পি পৰা বিষাদ, শূন্যতাৰ বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাটো জুবিন গাৰ্গৰ এখন সুন্দৰ আলোকচিত্ৰ আৰু তেওঁৰ বাণীৰে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুত ৰাজ্যত স্বতঃস্ফূৰ্ত বন্ধ সদৃশ পৰিৱেশৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে। জনতাৰ আপোন শিল্পী জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া আৰু সমাধিস্থল যোৰহাটত হোৱাটো বিচাৰি ডেৰশৰো অধিক দল-সংগঠন, শিল্পী, সাহিত্যিক আৰু বিশিষ্ট ব্যক্তিৰ গণ স্বাক্ষৰসহ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে জুবিনক বিচাৰি যোৰহাট জিলাবাসীৰ দাবী শিৰোনামেৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম অসমীয়াৰ হৃদয়ে হৃদয়ে প্ৰাণৰ অমৃতকণ্ঠ, কাকতখনত ক'ত হ'ব জুবিনৰ শেষ কৃত্য, যোৰহাটত সাহিত্য সভা আৰু কৃষি বিশ্ববিদ্যালয়ে দিলে মাটি শীৰ্ষক এটা বাতৰি বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰা হৈছে। **মই যদি তোমাক সৰগত দেখো মোৰ নামটো ক'ব পাৰিবানে** শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে টিয়েৰচ ইন হেভেন শীৰ্ষক কালজয়ী গীতটি সমুদ্ৰত শেষ যাত্ৰাৰ পূৰ্বে ছিংগাপুৰৰ সহশিল্পীৰ সৈতে জুবিনে কাকতালীয়ভাৱে পৰিৱেশন কৰাৰ বাতৰিক বক্স নিউজ হিচাপে প্ৰকাশ কৰিছে। ৰাজ্যত তিনিদিনীয়া শোক, এ পি এছ চি সহ সমূহ পৰীক্ষা স্থগিতৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে জুবিন অমৰ হওঁক ধ্বনিৰে মুখৰ চৌদিশ শোকাৰ্তৰ সমদল শিৰোনামেৰে ছিংগাপুৰৰ পৰা নতুন দিল্লী হৈ গুৱাহাটীলৈ জুবিন গাৰ্গৰ শেষ যাত্ৰাৰ বাতৰি পৰিৱেশন কৰিছে। **দ্যা চেণ্টিনেল** কাকতে প্ৰিয় শিল্পীৰ আকস্মিক বিয়োগত সমগ্ৰ ৰাজ্য শোকস্তব্ধ শিৰোনামেৰে বাতৰি পৰিৱেশন কৰিছে। কাকতখনে জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে অনুৰাগীসকলক কৰজোৰে শেষ যাত্ৰা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ আহ্বান জনোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত ঠাই দিছে।

০০০০০০

সমাপ্ত